[২০১৫] ১২ এছ.চি.আৰ. ৭৯২

ৰঞ্জিৎ সৰকাৰ

বনাম

ত্ৰিপুৰা চৰকাৰ

(ফৌজদাৰী আপীল নং ১২৪৭ / ২০১৫)

২৩ ছেপ্তেম্বৰ, ২০১৫

[ন্যায়াধীশ দিপক মিশ্ৰ আৰু প্ৰফুল্ল চি পণ্ট]

*দণ্ড বিধি, ১৮৬০: ধাৰা ৩০২ – মুৰত হোৱা গুৰুতৰ আঘাত- বিচাৰ আদালতে ধাৰা ৩০২ ত দোষী সাব্যস্ত কৰে – আপীল দাখিল কৰাত বিচাৰ কৰা হয়- সাক্ষ্যৰ পৰা পোৱা যায় যে আপীলকাৰী তথা আচামীয়ে ভুক্তভোগী তথা মৃতকৰ মুৰত কেৱল এবাৰ প্ৰচণ্ড জোৰে আঘাত কৰিছিল, যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। আপীলকাৰীয়ে কৰা কাৰ্য ধাৰা ৩০৪ ৰ অধিনত পৰে। সেয়েহে ধাৰা ৩০২ ৰ অধিনত কৰা দোষীসাব্যস্তকৰণ ধাৰা ৩০৪ লৈ সলনি কৰা হয় আৰু দহ বচৰৰ সশ্ৰম কাৰাদণ্ড বিহা হয় ।*

**আপীল নিষ্পত্তি কৰি আদালতে বিচাৰ কৰে যে-**

**১. গুচৰীয়া পক্ষৰ সাক্ষী নং-১৫ হল মৃতকৰ শৰীৰৰ মৰণোত্তৰ পৰীক্ষা কৰা চিকিৎসক। তেওঁ মৃতকৰ শৰীৰত এটা আঘাতৰ পৰা হোৱা চাৰিটা মৃত্যু ঘটাব পৰা জখম পাইছিল । প্ৰথম জখমত চিলাই কৰা হৈছিল । দ্বিতীয়টো হ'ল সোঁফালৰ পেৰিটেল অঞ্চলৰ ওপৰত মূৰৰ ছালৰ গভীৰ স্তৰত হেমাট'মা। তৃতীয় জখমটোও একেটা আঘাতৰ সৈতে জড়িত কাৰণ ই সোঁ পেৰিটেল হাড়ৰ আগফালৰ অংশত মূৰ হাড় ভঙা জখম আৰু চতুৰ্থ মৃত্যুৰ পুৰ্বৰ আঘাতটোও ওপৰৰ তিনিটা আঘাতৰ সৈতে জড়িত, যিটোয়ে মস্তিষ্কৰ ওপৰত চাবডুৰেল ৰক্তক্ষৰণক সুচায়। পঞ্চম আঘাতটো মৃত্যুৰ পুৰ্বৰ একমাত্ৰ আঘাত যিটো আচলতে দ্বিতীয়টো ৩চে.মি.x ২চে.মি. জোখৰ আঘাত, যিটো হৈছে বাওঁ হাতৰ কব্জিৰ গাঁঠিৰ পৃষ্ঠভাগৰ ওপৰত হৈছিল । [দফা ১০] [৭৯৬-ই-জি]।**

**২)গুচৰীয়া পক্ষৰ সাক্ষী নং ২য়ে মৃতকৰ মূৰত কাঠৰ বস্তুৰে দিয়া এটাতকৈ অধিক আঘাতৰ বিষয়ে উল্লেখ কৰা হোৱা নাছিল। সেয়েহে, তথ্যগতভাৱে নথিত থকা প্ৰমাণবোৰে আপীলকাৰীয়ে মৃতকৰ মূৰত মাত্ৰ এটা আঘাতহে দিছিল যিটো সম্পূৰ্ণ বল প্ৰয়োগ কৰা যেন লাগিছিল। এই তথ্য আৰু পৰিস্থিতিত, সাক্ষীৰ প্ৰমাণ আৰু নথিত থকা অন্যান্য সাক্ষ্য পুনৰ**

**মূল্যায়ন কৰাৰ পিছত, আপীলকাৰীয়ে  কৰা অপৰাধটো ভাৰতীয় দণ্ড বিধিৰ ৩০৪ ধাৰাৰ প্ৰথম অংশৰ অধীনত সামৰি লোৱা হৈছে। সেয়েহে, বিচাৰ আদালতৰ দ্বাৰা প্ৰদান কৰা আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিশ্চিত কৰা ভাৰতীয় দণ্ড বিধিৰ ৩০৪ ধাৰাৰ অধীনত  দোষী সাব্যস্তকৰণ আৰু শাস্তি সংশোধন কৰা হয়। ইয়াৰ পৰিৱৰ্তে, আবেদনকাৰীক ধাৰা ৩০৪ প্ৰথম অংশৰ অধীনত  দোষী সাব্যস্ত হোৱা কৰা হয়, আৰু দহ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয়। [দফা ১১, ১২] [৭৯৬-এইচ, ৭৯৭-এ-চি]**

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ:  ফৌজদাৰী আপীল নং ১২৪৭/ ২০১৫।
গৌহাটী উচ্চ ন্যায়ালয়ৰ আগৰতলা বিচাৰপীঠে ফৌজদাৰী আপীল নং ১১৫/২০০৮ অত ১৯.১০.২০১২ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীৰ হৈ অধিবক্তাসকল - শ্ৰীমতী সংগীতা কুমাৰ আৰু বিজয় কুমাৰ ।
প্ৰতিপক্ষৰ হৈ অধিবক্তাসকল-  শ্ৰীমতী এন.এছ. নপ্পনাল আৰু গোপাল সিং ।

আদালতৰ ৰায় প্ৰদান কৰে-
**ন্যায়াধীশ প্ৰফুল্ল চি পণ্টে** – অনুমতি প্ৰদান কৰা হৈছে।

২) পশ্চিম ত্ৰিপুৰাৰ খোৱাইৰ অতিৰিক্ত সত্ৰ আদালতে এছ টি এ ৪২ (এছ টি/কে) /২০০৮  নং গোচৰত ভাৰতীয় দণ্ডবিধিৰ ( আই পি চি ) ধাৰা ৩০২ৰ অধীনত শাস্তিযোগ্য অপৰাধৰ বাবে আপীলকাৰীক দোষী সাব্যস্ত কৰি দিয়া শাস্তি নিশ্চিত কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ১১৫/২০০৮ ত প্ৰদান কৰা ১৯.১০.২০১২ তাৰিখৰ ৰায় আৰু আদেশৰ বিৰুদ্ধে এই আপীল দাখিল কৰা হৈছে ।

৩) আমি পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ যুক্তি শুনিছো আৰু নথিত থকা কাগজ-পত্ৰসমূহ পৰীক্ষা কৰিছো।

৪) অভিযোগকাৰী পক্ষৰ কাহিনীটো চমুকৈ হল যে ১৭.০৬.২০০৭ তাৰিখে পুৱা প্ৰায় ১০.০০ বজাত আপীলকাৰী ৰঞ্জিত চৰকাৰ আৰু অনিল দাসৰ (মৃতক) মাজত তুইচিন্দ্ৰাই গাঁৱৰ ধাননি পথাৰৰ মাজেৰে বৰষুণৰ পানী নিষ্কাশন কৰাৰ বাবে বিবাদ হৈছিল। গুচৰীয়া পক্ষৰ ১নং সাক্ষী সাবিত্ৰী দাস, ৬নং সাক্ষী ৰীনা দাস আৰু ১১নং সাক্ষী সুমিত্ৰ দাসে দুয়োৰে মাজত হোৱা বিবাদত হস্তক্ষেপ কৰি তেওঁলোকক শান্ত কৰে। সেইদিনা সন্ধিয়া প্ৰায় ৬ বজাত (১৭.০৬.২০০৭) অনিল দাসে ২নং সাক্ষী অজিত দাসৰ সৈতে তুইচিন্দ্ৰাই বজাৰৰ পৰা  উভতি

আহি আছিল, আৰু যেতিয়া তেওঁলোকে ৰঞ্জিত সৰকাৰৰ ঘৰৰ ওচৰ পাইছিল, তেতিয়া তেওঁ (ৰঞ্জিত সৰকাৰ) কাঠৰ তক্তা এচটা লৈ আহি অনিল দাসৰ মূৰত প্ৰচণ্ড আঘাত কৰে, যাৰ ফলত তেওঁ আঘাতপ্ৰাপ্ত হয় আৰু পৰি যায় । ২নং সাক্ষী অজিত দাসে চিঞৰ-বাখৰ কৰিছিল আৰু ওচৰৰ মানুহ ঘটনাস্থলীত উপস্থিত হৈছিল। আহতজনক লগে লগে তেলিয়ামুৰা চিকিৎসালয়লৈ লৈ যোৱা হৈছিল আৰু তাৰ পৰা তেওঁক জি. বি. চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হৈছিল, কিন্তু অৱশেষত পিছদিনা তেওঁৰ আঘাতৰ বাবে মৃত্যু হয়। সাক্ষী-১ সাবিত্ৰী দাসে তেলিয়ামুৰা থানাত এজাহাৰ দাখিল কৰিছিল যিখনৰ ভিত্তিত ভাৰতীয় দণ্ড বিধি ধাৰা ৩৪১/৩০২ ধাৰাত  ৪৫/২০০৭ নং গোচৰ পঞ্জীয়ন কৰা হৈছিল। সাক্ষী-১৬ উপ-পৰিদৰ্শক আখতাৰ এফ. হোছেনে গোচৰটো তদন্ত কৰিছিল। মৃতদেহটো সমজি লোৱাৰ পিছত তেওঁ সাক্ষী-১৪ সহকাৰী উপ-পৰিদৰ্শক চিবা প্ৰসাদ সুৰৰ জৰিয়তে চুৰতহাল প্ৰস্তুত কৰিছিল। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ছীল কৰা অৱস্থাত প্ৰেৰণ কৰা হৈছিল। ১৮.৬.২০০৭ তাৰিখে গুচৰীয়া পক্ষৰ সাক্ষী -১৫ ডাঃ ৰঞ্জিত কুমাৰ দাসে মৰণোত্তৰ পৰীক্ষা কৰিছিল, যিয়ে মৰণোত্তৰ  পৰীক্ষাৰ প্ৰতিবেদনত আঘাতসমূহ লিপিবদ্ধ কৰিছিল আৰু মতামত দিছিল যে মৃত্যু হোৱা লোকজনৰ মূৰত আঘাত পোৱাৰ ফলত ক'মাত গৈ মৃত্যু হৈছে যিটো সাধাৰণতে মৃত্যুৰ কাৰণ হবলৈ যথেষ্ট। সাক্ষীসকলক সোধা-পোছা কৰাৰ পিছত আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত, তদন্তকাৰী বিষয়াজনে আপীলকাৰীৰ বিৰুদ্ধে সংশ্লিষ্ট দণ্ডাধীশ আগত অভিযোগপত্ৰ দাখিল কৰিছিল। গোচৰটো বিচাৰ আদালতলৈ প্ৰেৰণ কৰা হৈছিল।

৫) পশ্চিম ত্ৰিপুৰা, খোৱাইৰ অতিৰিক্ত সত্ৰ ন্যায়ধীশে পক্ষসমূহৰ শুনানি গ্ৰহণ কৰাৰ পিছত অভিযুক্ত ৰঞ্জিত চৰকাৰৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৩০৪ ধাৰাৰ অধীনত দণ্ডনীয় দোষৰ বাবে অভিযোগ গঠন কৰিছিল, আৰু অভিযুক্তই দোষী বুলি স্বীকাৰ কৰা নাছিল আৰু বিচাৰৰ সন্মুখীন হবলৈ দাবী কৰিছিল। এই গোচৰত সাক্ষী-১ সবিত্ৰী দাস, সাক্ষী-২ অজিত দাস (চাক্ষুষ সাক্ষী), সাক্ষী- ৩ বিমল দাস, সাক্ষী-৪ সতীশ চৰকাৰ, সাক্ষী-৫ নিৰ্মল চৰকাৰ, সাক্ষী-৬ ৰীনা দাস, সাক্ষী-৭ উত্তম দাস (সকলো চি চুবুৰীয়া), সাক্ষী-৮ শুকলাল মালাকাৰ, সাক্ষী-৯ মণি কাঞ্চন চৌধুৰী, সাক্ষী-১০ দিলীপ চৰকাৰ, সাক্ষী-১১ সুমিত্ৰা দাস, সাক্ষী-১২ শংকৰ দাস (চুবুৰীয়া), সাক্ষী-১৩ কনষ্টেবল কালিদাস ঘোষ (যিয়ে মৃতদেহ লৈ গৈছিল মৰণোত্তৰ পৰীক্ষা বাবে), সাক্ষী-১৪ সহকাৰী উপ-পৰিদৰ্শক ছিবপ্ৰসাদ সুৰ (যিয়ে চুৰতহাল প্ৰস্তুত কৰিছিল), গুচৰীয়া পক্ষৰ সাক্ষী-৯ ৰঞ্জিত কুমাৰ দাস (যিয়ে মৰণোত্তৰ পৰীক্ষা কৰিছিল) আৰু সাক্ষী-১৬ উপ-পৰিদৰ্শক আখতাৰ হোসেন (যিয়ে গোচৰটোৰ তদন্ত কৰিছিল)।

৬) অভিযুক্ত ৰঞ্জিত সৰকাৰক ১৯৭৩ চনৰ ফৌজদাৰী বিধিৰ ৩১৩ নং ধাৰাত জবানবন্দী লওতে, তেওঁ তেওঁৰ বিৰুদ্ধে থকা সাক্ষ্য-প্ৰমাণ মিছা বুলি দাবী কৰিছিল, কিন্তু তেওঁ প্ৰতিৰক্ষাৰ সাক্ষী পৰীক্ষা কৰোৱা নাছিল। বিচাৰ আদালতে পক্ষসমূহৰ শুনানিৰ অন্তত ভাৰতীয় দণ্ড বিধি ৩০২ ধাৰাত শাস্তিযোগ্য অপৰাধৰ অভিযোগ অভিযুক্ত ৰঞ্জিত সৰকাৰৰ বিৰুদ্ধে পৰ্যাপ্তভাৱে প্ৰমাণিত হোৱা বুলি নিশ্চিত হয়। সেই অনুসৰি তেওঁক দোষী সাব্যস্ত কৰা হয়, আৰু অধিক শুনানিৰ পিছত তেওঁক যাৱজীৱন কাৰাদণ্ডৰ শাস্তি দিয়াৰ লগতে ৫,০০০/ - টকা জৰিমনাৰ বীহা হয়, আৰু জৰিমনা পৰিশোধ নকৰিলে তেওঁক অতিৰিক্ত ছমাহৰ কাৰাবাস খটাৰ নিৰ্দেশ দিয়া হয় ।

৭) ১৯.১১.২০০৮ তাৰিখৰ উক্ত ৰায় আৰু আদেশত অসন্তুষ্ট হৈ আপীলকাৰীয়ে গৌহাটী উচ্চ ন্যায়ালয়ত আপীল দাখিল কৰে, আৰু আমাৰ সন্মুখত প্ৰত্যাহ্বান জনোৱা বিবাদিত আদেশেৰে উক্ত আপীল খাৰিজ কৰা হয়।

৮) আমাৰ আগত দাখিল কৰা আপীলৰ ভিত্তি/কাৰণ সমূহৰ ভিতৰত, ভিত্তি/কাৰণ (এ) ত স্বীকাৰ কৰা হৈছে যে ধাননি পথাৰত বৰষুণৰ পানী নিষ্কাশনক লৈ অনিল দাস আৰু আপীলকাৰী মাজত ১৭.০৬.২০০৭ তাৰিখে পুৱা প্ৰায় ১০ বজাত তৰ্ক লাগিছিল। ভিত্তি/কাৰণ (চি) ত উল্লেখ কৰা হৈছে যিহেতু আপীলকাৰীয়ে ইতিমধ্যে সাত বছৰ কাৰাদণ্ড ভোগ কৰিছে, সেয়েহে আপীলকাৰীৰ প্ৰতি এক সহানুভূতিশীল দৃষ্টিভংগী গ্ৰহণ কৰা উচিত আৰু দোষী সাব্যস্ত হোৱা আদেশটো ভাৰতীয় দণ্ড বিধিৰ ৩০৪ ধাৰাৰ দ্বিতীয় খণ্ডৰ অধীনত কৰা অপৰাধলৈ সলনি কৰা উচিত।

৯) আপীলকাৰীৰ বিদ্বান অধিবক্তাই আমাৰ সন্মুখত যুক্তি দিছিল যে মৃতকৰ মূৰত এবাৰ আঘাত কৰাৰ পৰিপ্ৰেক্ষিতত, এই গোচৰ ধাৰা ৩০২-ৰ অধীনৰ নহয়, বৰঞ্চ ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০৪ দ্বিতীয় খণ্ডৰ অধীনত শাস্তিযোগ্য দোষাবহ নৰহত্যাৰহে গোচৰ। আনহাতে, ত্ৰিপুৰা ৰাজ্যৰ বিদ্বান অধিবক্তা যুক্তি দৰ্শাইছে যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত পাঁচটা মৃত্যুৰ পূৰ্বে হোৱা আঘাতৰ উল্লেখ আছে, সেয়েহে দোষী সাব্যস্তকৰণৰ ৰায়ত এই আদালতৰ কোনো হস্তক্ষেপৰ প্ৰয়োজন নাই।

১০) আমি গুচৰীয়া পক্ষৰ সাক্ষী নং-১৫ ডাঃ ৰঞ্জিত কুমাৰ দাসৰ সাক্ষ্য সাৰধানে পৰীক্ষা কৰিছো, যিয়ে ১৮.৬.২০০৭ তাৰিখে অনিল দাসৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰিছিল। দৰাচলতে, চিকিৎসা বিষয়াজনে মৃতকৰ শৰীৰত এটা আঘাতৰ পৰা হোৱা চাৰিটা মৃত্যু ঘটাব পৰা জখম পাইছিল । প্ৰথম জখমত চিলাই কৰা হৈছিল । দ্বিতীয়টো হ'ল সোঁফালৰ পেৰিটেল অঞ্চলৰ ওপৰত মূৰৰ ছালৰ গভীৰ স্তৰত হেমাট'মা। তৃতীয় জখমটোও একেটা আঘাতৰ সৈতে জড়িত কাৰণ ই সোঁ পেৰিটেল হাড়ৰ আগফালৰ অংশত মূৰৰ হাড় ভঙা জখম

আৰু চতুৰ্থটো মৃত্যুৰ পুৰ্বৰ আঘাত এইটোও ওপৰৰ তিনিটা আঘাতৰ সৈতে জড়িত, যিটোয়ে মস্তিষ্কৰ ওপৰত চাবডুৰেল ৰক্তক্ষৰণক সুচায়। পঞ্চম আঘাতটো মৃত্যুৰ পুৰ্বৰ একমাত্ৰ আঘাত যিটো আচলতে দ্বিতীয়টো ৩চে.মি.x ২চে.মি. জোখৰ আঘাত, আৰু যিটো হৈছে বাওঁ হাতৰ গাঁঠিৰ পৃষ্ঠভাগৰ ওপৰত হৈছিল ।

১১) সাক্ষী-২ অনিল দাসে উল্লেখ কৰা নাই যে আপীলকাৰীয়ে মৃতকৰ মূৰত কাঠৰ তক্তাৰ দ্বাৰা এটাতকৈ অধিক আঘাত কৰিছিল। বাওঁ হাতৰ গাঁঠিৰ পৃষ্ঠভাগত হোৱা আঘাতটো মৃতক মাটিত পৰি যোৱাৰ ফলতো হব পাৰে। সেয়েহে, তথ্যগতভাৱে নথিত থকা সাক্ষ্যৰ পৰা আপীলকাৰীয়ে মৃতকৰ মূৰত কেৱল মাত্ৰ এটা আঘাতহে দিছিল যিটো সম্পূৰ্ণ বল প্ৰয়োগ কৰি কৰা যেন লাগে ।

১২) ওপৰোক্ত তথ্য আৰু পৰিস্থিতিত, সাক্ষীৰ সাক্ষ্য আৰু নথিত থকা অন্যান্য সাক্ষ্য পুনৰ মূল্যায়ন কৰাৰ পিছত, আমি বিবেচনা কৰো যে আপীলকাৰীয়ে কৰা অপৰাধটো ভাৰতীয় দণ্ড বিধিৰ ৩০৪ ধাৰাৰ প্ৰথম অংশৰ অধীনত সামৰি লোৱা অপৰাধৰ ভিতৰত পৰে। সেয়েহে, বিচাৰ আদালতৰ দ্বাৰা প্ৰদান কৰা আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিশ্চিত কৰা ভাৰতীয় দণ্ড বিধিৰ ৩০৪ ধাৰাৰ অধীনত দোষী সাব্যস্তকৰণ আৰু শাস্তি সংশোধন কৰা হয়। ইয়াৰ পৰিৱৰ্তে, আবেদনকাৰীক ধাৰা ৩০৪ ৰ প্ৰথম অংশৰ অধীনত দোষী সাব্যস্ত হোৱা কৰা হয়, আৰু দহ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয়। দোষী সাব্যস্ত আৰু শাস্তিৰ এই পৰিৱৰ্তনৰ সৈতে এই আপীল নিষ্পত্তি কৰা হল ।

দেৱিকা গুজৰাল | আপীল নিষ্পত্তি কৰা হল ।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।” )